# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 07-10-2023
**Time :** 0705 hrs

## *Assamese Morning Bulletin*
## HEADLINES

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে, বিগত কেইটামান বছৰত বাওপন্থী সন্ত্ৰাসবাদ নিয়ন্ত্ৰণত যথেষ্ট সাফল্য অৰ্জন কৰিব পৰা গৈছে  আৰু এই যুঁজ সম্প্ৰতি নিৰ্ণায়ক পৰ্যায়ত উপনীত হৈছে।

২। ছিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং টামাঙে কৈছে যে ৰাজ্যখনত উদ্ধাৰ অভিযান পূৰ্ণগতিত অব্যাহত আছে

৩। ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে কৈছে যে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত ভাৰত, ব্ৰাজিল আৰু দক্ষিণ আফ্ৰিকাৰ প্ৰতিনিধিত্ব থকা উচিত।

৪। ভাৰতীয় ৰিজাৰ্ভ বেংকে ৰেপ' ৰেট পূৰ্বৰ ৬ দশমিক ৫-০ শতাংশতে অপৰিৱৰ্তিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

*আৰু*

৫। ভাৰতে কালি চীনৰ হাংচ'অ' অনুষ্ঠিত এছিয়ান গেমছত এটা সোণ, দুটা ৰূপ আৰু ছটা ব্ৰঞ্জৰ পদক অৰ্জন কৰে।।

00000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে, বিগত কেইটামান বছৰত বাওপন্থী সন্ত্ৰাসবাদ নিয়ন্ত্ৰণত যথেষ্ট সাফল্য অৰ্জন কৰিব পৰা গৈছে  আৰু এই যুঁজ সম্প্ৰতি নিৰ্ণায়ক পৰ্যায়ত উপনীত হৈছে। নতুন দিল্লীত কালি বাওপন্থী সন্ত্ৰাসবাদ সম্পৰ্কীয় এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰি শ্ৰীশ্বাহে এইদৰে প্ৰকাশ কৰে। বাওপন্থী সন্ত্ৰাসবাদ প্ৰভাৱিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী, উপ মুখ্যমন্ত্ৰী আৰু সংশ্লিষ্ট বিষয়াসকলে বৈঠকত অংশগ্ৰহণ কৰে। এই উপলক্ষে শ্ৰীশ্বাহে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্ব আৰু বাওপন্থী সন্ত্ৰাসবাদ প্ৰভাৱিত ৰাজ্যসমূহৰ সহযোগত ২০২২-২৩ বৰ্ষত এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ সাফল্য অৰ্জন কৰিব পৰা গৈছে। এয়া পৰৱৰ্তী দুবছৰত বাওপন্থী সন্ত্ৰাসবাদ পুলিয়ে পোখাই উৎখাত কৰাৰ সংকল্প লোৱাৰ বছৰ বুলি তেওঁ উল্লেখ কৰে। শ্ৰীশ্বাহে কয় যে, ২০১৯ চনৰে পৰা সন্ত্ৰাসবাদী সক্ৰিয় হৈ থকা এলেকাৰ সংখ্যা ক্ৰমান্বয়ে হ্ৰাস পাইছে। তেওঁ কয় যে, প্ৰভাৱিত এলেকাসমূহত কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ ১৯৫টা নতুন শিবিৰ স্থাপন কৰা হৈছে আৰু ৪৪টা নতুন শিৱিৰ স্থাপনৰ দিহা কৰা হৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয় যে চৰকাৰৰ শূন্য সহনশীলতাৰ নীতিৰ বাবে  বিগত চাৰিদশকৰ ভিতৰত ২০২২ বৰ্ষত আটাইতকৈ কম হিংসা আৰু মৃত্যুৰ ঘটনা সংঘটিত হোৱাৰ বাতৰি পোৱা গৈছে। ২০১৪ ৰ পৰা ২০২৩চনৰ সময়ছোৱাত ২০০৫ৰ পৰা ২০১৪চনৰ সময়ছোৱাৰ তুলনাত বাওপন্থী সন্ত্ৰাসবাদজনিত হিংসাত্মক ঘটনা ৫২ শতাংশৰো অধিক হ্ৰাস পাইছে বুলি শ্ৰীশ্বাহে প্ৰকাশ কৰে।

00000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি উত্তৰাখণ্ডলৈ যাব। এই ভ্ৰমণ কালত শ্ৰীশ্বাহে তেহৰি জিলাৰ নৰেন্দ্ৰ নগৰত হ'বলগীয়া কেন্দ্ৰীয় আঞ্চলিক পৰিষদৰ ২৪ সংখ্যক বৈঠকত অধ্যক্ষতা কৰিব। বৈঠকত উত্তৰপ্ৰদেশ, মধ্যপ্ৰদেশ, ছত্তিশগড় আৰু উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰীসকলে অংশগ্ৰহণ কৰাৰ কথা আছে।

পাছত গৃহমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ ৰাজধানী ডেৰাডুনৰ বন গৱেষণা প্ৰতিষ্ঠানত আয়োজিত ৪৯ সংখ্যক সৰ্বভাৰতীয় আৰক্ষী বিজ্ঞান মহাসভাত ভাগ ল'ব। এই মহাসভাত ফাইভ-জি প্ৰযুক্তি, অভ্যন্তৰীণ সুৰক্ষা,আৰু সামাজিক মাধ্যমৰ প্ৰত্যাহ্বানৰ যুগত আইন শৃংখলা বৰ্তাই ৰখাৰ বিষয়ত গুৰুত্ব আৰোপ কৰা হ'ব। আৰক্ষী গৱেষণা আৰু উন্নয়ন ব্যুৰোৰ পৃষ্ঠপোষকতাত এই মহাসভাৰ আয়োজন কৰা হৈছে।

00000

ছিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং টামাঙে কৈছে যে ৰাজ্যখনত উদ্ধাৰ অভিযান পূৰ্ণগতিত অব্যাহত আছে আৰু উদ্ধাৰকাৰী দলে ক্ষতিগ্ৰস্ত লোকসকলৰ স্বাভাৱিক জীৱন সুনিশ্চিত কৰাৰ বাবে সৰ্বতোপ্ৰকাৰে চেষ্টা চলাই আছে। মুখ্যমন্ত্ৰী টামাঙে কালি তিস্তা নৈৰ জলস্তৰ বৃদ্ধি হোৱাৰ ফলত সৃষ্টি হোৱা আকস্মিক বান ক্ষতিগ্ৰস্ত এলেকাসমূহ পৰিদৰ্শন কৰে আৰু বানত নিহত লোকসকলৰ পৰিয়ালবৰ্গলৈ ৪ লাখ টকাকৈ এককালীন সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰে।

ইপিনে, কেন্দ্ৰীয় চৰকাৰে ছিকিমত আকস্মিক বানৰ ফলত হোৱা ক্ষয়ক্ষতিৰ মূল্যায়নৰ বাবে এটা আন্তঃমন্ত্ৰালয় পৰ্যায়ৰ কেন্দ্ৰীয় দল গঠন কৰিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰালয়ে কৈছে যে দলটোৱে শীঘ্ৰে ৰাজ্যখনৰ প্ৰভাৱিত অঞ্চলসমূহ পৰিদৰ্শন কৰিব আৰু দলটোৰ মূল্যায়নৰ ভিত্তিত ছিকিমলৈ অতিৰিক্ত কেন্দ্ৰীয় সাহায্যত অনুমোদন দিয়া হ'ব। কেন্দ্ৰীয় চৰকাৰে লগতে বান প্ৰভাৱিত ছিকিমলৈ প্ৰায় ৪৫ কোটি টকাৰ দুৰ্যোগ সাহায্য আগবঢ়োৱাৰ প্ৰস্তাৱত অনুমোদন জনাইছে। ৰাজ্যখনত আকস্মিক বানৰ ফলত ২৬জন লোকে প্ৰাণ হেৰুৱাইছে আৰু সেনা জোৱান সহ ১৪২জন লোক এতিয়াও সন্ধানহীন হৈ আছে।

00000

নৰম জি-২০ ৰাষ্ট্ৰগোষ্ঠীৰ সংসদৰ অধ্যক্ষৰ অভিৱৰ্তন, চমুকৈ পি-টুৱেণ্টি ১৩ আৰু ১৪ অক্টোবৰত নতুন দিল্লীত অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে, জি-২০ৰ অন্তৰ্গত পি-২০ হৈছে জি-২০ৰ দেশসমূহৰ সংসদৰ অধ্যক্ষসকলৰ এটা আলোচনা গোট আৰু ইয়াৰ লক্ষ্য হৈছে গোলকীয় শাসন ব্যৱস্থাত সংসদীয় মাত্ৰা সুনিশ্চিত কৰা। পি-২০ৰ মূল বিষয়বস্তু হৈছে এখন পৃথিৱী, এটা পৰিয়াল, এটা ভৱিষ্যতৰ বাবে সংসদ। নতুন দিল্লীত কালি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত লোকসভাৰ অধ্যক্ষ ওম বিৰলাই প্ৰকাশ কৰে যে, এই গোলকীয় কাৰ্যসূচীত সংসদৰ ২৫ গৰাকী অধ্যক্ষ, ১০ গৰাকী উপাধ্যক্ষৰ লগতে আন ৫০ গৰাকী সাংসদে অংশগ্ৰহণ কৰিব। তেওঁ লগতে কয় যে, এই অনুষ্ঠানতেই আফ্ৰিকীয় সংসদৰ অধ্যক্ষই পোন প্ৰথমবাৰৰ বাবে জি-২০ৰ কোনো বৈঠকত অংশগ্ৰহণ কৰিব। অভিৱৰ্তনখনত চাৰিটা সত্ৰ আয়োজিত হ'ব আৰু উদ্বোধনী সত্ৰত গণতন্ত্ৰৰ শক্তিৰ ওপৰত চৰ্চা কৰা হ'ব। আন সত্ৰসমূহত জলবায়ু পৰিৱৰ্তন, স্বাস্থ্য, শিক্ষা, কৃষি তথা শক্তিখণ্ডৰ ওপৰত গভীৰ পৰ্যালোচনা কৰা হ'ব বুলিও শ্ৰীবিৰলাই প্ৰকাশ কৰে।

০০০০০

ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে কৈছে যে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত ভাৰত, ব্ৰাজিল আৰু দক্ষিণ আফ্ৰিকাৰ প্ৰতিনিধিত্ব থকা উচিত আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত ৰাষ্ট্ৰকেইখনৰ গুৰুত্ব বৃদ্ধি কৰা উচিত। ছোচীত কালি ভল্ডাই ইণ্টাৰনেচনেল ডিছকাছন ক্লাবৰ এখন পূৰ্ণাংগ বৈঠকক সম্বোধন কৰি শ্ৰীপুটিনে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰত বছৰি বছৰি অধিক শক্তিশালী হৈছে। তেওঁ কয় যে নিজ সামৰ্থৰ বলত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত গুৰুত্বপূৰ্ণ স্থান দখল কৰা আৰু প্ৰধান আন্তঃৰাষ্ট্ৰীয় বিষয় নিষ্পত্তিৰ সম্ভাৱনা বহন তথা প্ৰভাৱিত কৰা এনে দেশক ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত প্ৰতিনিধিত্ব প্ৰদান কৰা উচিত। বৰ্তমান ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদত ৫খন স্থায়ী সদস্য ৰাষ্ট্ৰ আৰু ১০খন অস্থায়ী সদস্য ৰাষ্ট্ৰ আছে। অস্থায়ী সদস্য ৰাষ্ট্ৰসমূহক বিশ্ব সংস্থা টোৰ সাধাৰণ সভাই দুবছৰৰ বাবে নিৰ্বাচিত কৰে। নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য ৰাষ্ট্ৰৰ ভিতৰত ৰাছিয়া, ব্ৰিটেইন, চীন, ফ্ৰান্স আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ আছে।

০০০০০

ভাৰতীয় ৰিজাৰ্ভ বেংক আৰ বি আইৰ মুদ্ৰা নীতি কমিটীয়ে ৰেপ' ৰেট অৰ্থাৎ আৰ বি আইয়ে বাণিজ্যিক বেংক অথবা বিত্তীয় প্ৰতিষ্ঠানসমূহক প্ৰদান কৰা ঋণৰ সূদৰ হাৰ পূৰ্বৰ ৬ দশমিক ৫-০ শতাংশতে অপৰিৱৰ্তিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। মুম্বাইত আজি অনুষ্ঠিত  মুদ্ৰা নীতি কমিটীৰ বৈঠকৰ অন্তত আৰ বি আইৰ গভৰ্ণৰ শক্তিকান্ত দাসে কয় যে, কমিটীয়ে সৰ্বসন্মতি ক্ৰমে ৰেপ' হাৰ অপৰিৱৰ্তিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰিজাৰ্ভ বেংকৰ তৰফৰ পৰা জাৰি কৰা এটা বিবৃতি অনুসৰি স্থূল অৰ্থনৈতিক আৰু বিত্তীয় ঘটনা ক্ৰমৰ পুংখানুপুংখ মূল্যায়নৰ অন্তত একেৰাহে চতুৰ্থবাৰৰ বাবে ঘাই ঘাই সূদৰ হাৰসমূহ অপৰিৱৰ্তিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। সেই অনুসাৰে এছ ডি এফ অৰ্থাৎ স্থায়ী জমা সুবিধা হাৰ  ৬ দশমিক ২-৫ শতাংশ আৰু এম এছ্ এফ অৰ্থাৎ প্ৰান্তীয় স্থায়ী সুবিধা হাৰ ৬ দশমিক ৭-৫ শতাংশত অপৰিৱৰ্তিত থাকিব। বিবৃতিটোত লগতে বিলাহী আৰু অন্য শাক-পাঁচলিৰ মূল্য বৃদ্ধিৰ বাবে জুলাইত মুদ্ৰাস্ফীতি উৰ্ধগামী হোৱা বুলি উল্লেখ কৰা হৈছে। আগষ্টত এই মুদ্ৰাস্ফীতি আংশিকভাৱে হ্ৰাস পোৱা পৰিলক্ষিত হয়। ছেপ্টেম্বৰত মূল্য কম হোৱা বাবে মুদ্ৰাস্ফীতি তললৈ নামে।

০০০০০

ভাৰতে কালি চীনৰ হাংচ'অ' অনুষ্ঠিত এছিয়ান গেমছত এটা সোণ, দুটা ৰূপ আৰু ছটা ব্ৰঞ্জৰ পদক অৰ্জন কৰে। ভাৰতে পুৰুষৰ হকীৰ ফাইনেলত জাপানক ৫-১ গলৰ ব্যৱধানত পৰাভূত কৰি সোণৰ পদক হস্তগত কৰে। এই জয়ৰ সুবাদত ভাৰতীয় হকী দলটোৱে পেৰিছ অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰে।  আনহাতে, ব্ৰীজত ভাৰতীয় পুৰুষ দলে হংকঙক পৰাভূত কৰি ৰূপৰ পদক লাভ কৰে। ইয়াৰ পূৰ্বে ভাৰতে পুৰুষৰ আৰ্চাৰীৰ ৰিকাৰ্ভ শিতানৰ দলীয় শাখাত দক্ষিণ কোৰিয়াৰ হাতত পৰাজিত হৈ ৰূপৰ পদকত সন্তুষ্ট থাকিব লগা হয়। মহিলাৰ আৰ্চাৰীৰ এই শিতানত ভাৰতে ভিয়েটনামক ৬-২ ফলাফলত পৰাস্ত কৰি ব্ৰঞ্জৰ পদক অৰ্জন কৰে। একেদৰে ভাৰতৰ মহিলা দলে চেপাকটাক্ৰৰ ছেমি ফাইনেলত থাইলেণ্ডৰ হাতত পৰাভূত হৈ ব্ৰঞ্জৰ পদক লাভ কৰে। ভাৰতে কালি মল্লযুদ্ধত তিনিটাকৈ ব্ৰঞ্জৰ পদক লাভ কৰে। ছনমে মহিলাৰ ৬২ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল শিতানত চীনৰ লং জিয়াক হাতত ৭-৫ ফলাফলত পৰাভূত কৰি ব্ৰঞ্জৰ পদক হস্তগত কৰাৰ বিপৰীতে সতীৰ্থ খেলুৱৈ কিৰণ বিষ্ণইয়ো মহিলাৰ ৭৬ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল শিতানত মংগোলিয়াৰ গানবাটক ৬-৩ ফলাফলত পৰাস্ত কৰি ব্ৰঞ্জৰ পদক

অৰ্জন কৰে। ইপিনে পুৰুষৰ ৫৭ কিলোগ্ৰাম ওজন শাখাত ফ্ৰী ষ্টাইল শিতানত অমনে চীনৰ লিউ মিংঘুক ১১-০ ফলাফলত পৰাস্ত কৰি দেশৰ হকে ব্ৰঞ্জৰ পদক লাভ কৰে। একেদৰে বেডমিণ্টনৰ পুৰুষৰ ছিংগলছত এইছ্ এছ প্ৰণয়ে চীনৰ লি শ্বি ফেঙৰ হাতত ২-০ ফলাফলত পৰাভূত হৈ ব্ৰঞ্জৰ পদকত সন্তুষ্ট থাকিবলগীয়া হয়। বেডমিণ্টনৰ ডাবলছত ছিৰাগ ছেট্টি আৰু সাত্বিকছাইৰাজ ৰণকিৰেড্ডীৰ যুটীটোৱে মালয়েছিয়াৰ প্ৰতিদ্বন্দ্বীক পৰাজিত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে।

ইপিনে, ভাৰতে পুৰুষৰ ক্ৰিকেটৰ ছেমি ফাইনেলত বাংলাদেশক ৯ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। ভাৰত আজি ফাইনেলত আফগানিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন দিনৰ চাৰে এঘাৰত বজাত আৰম্ভ হ'ব। ভাৰতৰ পুৰুষ কাবাডী দলেও পাকিস্তানক পৰাজিত কৰি ফাইনেলত প্ৰৱেশ কৰিছে।

ভাৰতে এইবাৰৰ এছিয়ান গেমছত এতিয়ালৈকে ২২ টা সোণ, ৩৪টা ৰূপ আৰু ৩৯টা ব্ৰঞ্জসহ মুঠ ৯৫টা পদক লাভ কৰিছে। ভাৰত সম্প্ৰতি প্ৰতিযোগিতাৰ পদক তালিকাৰ চতুৰ্থ স্থানত আছে আৰু ১০০টা পদকৰ লক্ষ্য পূৰণৰ দিশত অগ্ৰসৰ হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমৰ পোষ্ট যোগে এছিয়ান গেমছত দেখুওৱা অভূতপূৰ্ব প্ৰদৰ্শনৰ বাবে ভাৰতীয় এথলিটসকলক অভিনন্দন জনাইছে আৰু তেওঁলোকৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিছে।

ooooo

**সমাপ্ত**